

### গোৱালপাৰা মহাবিদ্যালয়ৰ বৰ্ণিল অনুষ্ঠান

# উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত চতুৰ্থ স্থানেৰে 'নাক'ৰ এ-প্লাছ গ্ৰেড

**প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ২১ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ অগ্ৰণী শিক্ষানুষ্ঠান গোৱালপাৰা মহাবিদ্যালয়ে ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যাৰ্পণ পৰিষদৰ, চমুকৈ 'নাক'ৰ পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে চতুৰ্থ স্থানেৰে 'এ প্লাছ গ্ৰেড' লাভ কৰাৰ আনন্দত কালি মহাবিদ্যালয় প্ৰাংগণত আয়োজন কৰা হয় গোৱালপাৰা মহাবিদ্যালয় আৰু ভৱিষ্যতৰ স্বৰ্ণিল যাত্ৰাৰ পৰিকল্পনা শীৰ্ষক অনুষ্ঠান। এই উপলক্ষে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা, গীত-নৃত্য-বাদ্য মাংগলিক ধ্বনিৰে উলিওৱা বিশাল শোভাযাত্ৰাই ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। পিচত মহাবিদ্যালয়ৰ নৱনিৰ্মিত সভাগৃহত আয়োজিত গোৱালপাৰা মহাবিদ্যালয় আৰু ভৱিষ্যতৰ স্বৰ্ণিল যাত্ৰাৰ পৰিকল্পনা শীৰ্ষক অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতি, শিক্ষক-কৰ্মচাৰী মণ্ডলী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শুভাকাংক্ষী, চুবুৰীয়া মহাবিদ্যালয়সমূহৰ অধ্যক্ষবৃন্দ, অৱসৰপ্ৰাপ্ত শুভাকাংক্ষীসকলকে ধৰি অধ্যাপকসকলে অনুষ্ঠানত অংশগ্ৰহণ কৰে। সহঃ অধ্যাপিকা ড° ৰশ্মি দাসে আঁত ধৰা আৰু অধ্যক্ষ ড° সুভাষ বৰ্মনে সভাপতিত্ব কৰা অনুষ্ঠানত মহাবিদ্যালয়খনৰ সুখ্যাতিত অৰিহণা যোগোৱা সৰ্বস্তৰৰ লোকসকলক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, শিক্ষাবিদ, ভূগোল বিজ্ঞানী, অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতী, অৱসৰপ্ৰাপ্ত অধ্যাপক উত্তম শৰ্মা, অৱসৰপ্ৰাপ্ত অধ্যাপক তথা প্ৰাক্তন বিধায়ক দেৱান জয়নাল আবেদিন, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° কাছিম আলী আহমেদ, অধ্যাপক ড° মোছাৰফ উদ্দিন আহমেদ, প্ৰাক্তন অধ্যক্ষ জ্যোতিষ দাস, দিলীপ কুমাৰ শৰ্মা, হৱাঘাট কলেজৰ অধ্যক্ষ ড° মণ্টু দাস, লক্ষীপুৰ কলেজৰ অধ্যক্ষ ড° প্ৰকাশ বিশ্বাস, ৰেষ্ট গোৱালপাৰা কলেজৰ অধ্যক্ষ ড° মনীষা ভট্টাচাৰ্য, অধ্যাপক ড° ৰঞ্জিত চৌধুৰী, অধিবক্তা তথা প্ৰাক্তন বিধায়ক মনোৱাৰ হুছেইন, ছাত্ৰ নেতা অভিজিৎ নাথ, শিক্ষাবিদ ড° অহিজুদ্দিন শ্বেখে ভাষণ দিয়ে। সভাত বক্তাসকলে মহাবিদ্যালয়খনৰ এটি এশ বিঘা মাটিৰ নতুন চৌহদ গঠন কৰিবলৈ মত প্ৰকাশ কৰে। সভাত মহাবিদ্যালয়ৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীও উপস্থিত থাকে।